জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৯/২০২১

# বিশিষ্ট শিল্পী, সাহিত্যিক, লোক সংগীতৰ একনিষ্ঠ সাধক নিখিলেশ বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ মে' ঃ** বিশিষ্ট শিল্পী, সাহিত্যিক, লোক সংগীতৰ একনিষ্ঠ সাধক নিখিলেশ বৰুৱাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত নিখিলেশ বৰুৱাই ৰাজ্যৰ সাংস্কৃতিক জীৱনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত বৰুৱাই সংগীতৰ উপৰি তথ্য-চিত্ৰ নিৰ্মাণেৰে বিশেষ বৰঙনি যোগাই গৈছে। তদুপৰি বহুকেইখন গ্ৰন্থ ৰচনা কৰি আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। আনহাতে প্ৰয়াত বৰুৱাই বিভিন্ন সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি আমাৰ সমাজ জীৱনলৈ বিশেষ বৰঙনি যোগাই গৈছে। ৰাজ্য চৰকাৰৰ শিল্পী বঁটাৰে সন্মানিত এইগৰাকী শিল্পী তথা সাহিত্যিকৰ বিয়োগ আমাৰ বৃহত্তৰ সমাজখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত নিখিলেশ বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৭/০৫/২০২১**